# 2019

## PHILOSOPHY

### ( Major )

Paper : 2.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions as directed : 1×10=10

নিৰ্দেশানুসৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Name the theory of truth supported by the realists.

বাস্তৱবাদীসকলে সমৰ্থন কৰা সত্যতা সম্পৰ্কীয় তত্ত্বটোৰ নাম লিখা।

*(b)* "If ideas work, they are true." Which theory of truth support this principle?

''যদি কোনো ধাৰণা কাৰ্যকৰী হয়, তেনেহ'লে ই সত্য হয়।'' সত্যতাৰ কোনটো মতবাদে এই নীতিটো স্বীকাৰ কৰিছে?

*(c)* Which of the following pairs is not perfectly matched?

তলত দিয়া যোবসমূহৰ ভিতৰত কোনটো সঠিকভাৱে মিলা নাই?

*(i)* G. E. Moore : Correspondence theory

জি. ই. মূৰ : সাদৃশ্যবাদ

*(ii)* Hegel : Coherence theory

হেগেল : সংগতিবাদ

*(iii)* Schiller : Correspondence theory

শ্চিলাৰ : সাদৃশ্যবাদ

*(iv)* Bosanquet : Coherence theory

বোছাংকে : সংগতিবাদ

*(d)* Name the theory of truth which admits the degrees of truth.

সত্যৰ মাত্ৰাক স্বীকাৰ কৰা সত্যতা বিষয়ক মতবাদটোৰ নাম লিখা।

*(e)* Spinoza's theory of substance is known as polytheism / pantheism / monotheism.

( Choose the correct option )

স্পিনোজাৰ দ্ৰব্যতত্ত্বক বহুঈশ্বৰবাদ / সৰ্বেশ্বৰবাদ / একেশ্বৰবাদ বুলি কোৱা হয়।

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(f) Is Leibniz a monist, dualist or pluralist?

লাইব্‌নিজ অদ্বৈতবাদী, দ্বৈতবাদী নে বহুত্ববাদী ?

(g) Following Locke, which of the statements mentioned below is correct?

লকৰ মতানুসৰি তলত উল্লেখ কৰা উক্তিসমূহৰ ভিতৰত কোনটো শুদ্ধ ?

(i) Substance is the unknown substratum of known qualities.

দ্ৰব্য হৈছে জ্ঞাত গুণৰ অজ্ঞাত আধাৰ ।

(ii) Substance is the known substratum of unknown qualities.

দ্ৰব্য হৈছে অজ্ঞাত গুণৰ জ্ঞাত আধাৰ ।

(h) "Space and Time are empirically real but transcendentally ideal." Who is associated with this statement?

"দেশ আৰু কাল অভিজ্ঞতামূলক হিচাপে বাস্তৱ কিন্তু অতীন্দ্ৰিয়ভাৱে ভাবাত্মক বা আদৰ্শাত্মক।" এই উক্তিটোৰ লগত জড়িত দাৰ্শনিকগৰাকী কোন ?

(i) What is perceptual Space?

প্ৰত্যক্ষগত দেশ মানে কি ?

(j) Which theory of meaning is associated with elimination of metaphysics?

অধিবিদ্যা বৰ্জনৰ লগত কোনটো অৰ্থ বিষয়ক তত্ত্ব জড়িত হৈ আছে ?

**2.** Briefly answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

*(a)* Explain any one defect or criticism of correspondence theory of truth.

সত্যতা সম্পৰ্কীয় সাদৃশ্যবাদ তত্ত্বটোৰ যি কোনো এটা দোষ বা সমালোচনা ব্যাখ্যা কৰা।

*(b)* State any two characteristics of coherence theory of truth.

সত্যতা সম্পৰ্কীয় সংগতিবাদৰ যি কোনো দুটা বৈশিষ্ট্য প্ৰকাশ কৰা।

*(c)* What is the meaning of Spinoza's dictum—'Determinatio neagtio est' or 'Every determination is negation'?

'Determinatio neagtio est' বা 'সকলো গুণ নিৰ্ধাৰণেই নঞৰ্থক'—স্পিনোজা প্ৰদত্ত এই উক্তিটোৰ অৰ্থ কি?

*(d)* State two differences between perceptual time and conceptual time.

প্ৰত্যক্ষগত কাল আৰু ধাৰণাগত কালৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

*(e)* What do you mean by fatalism?

অদৃষ্টবাদ মানে কি বুজা?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain briefly the pragmatic theory of truth.

সত্যতা সম্পৰ্কীয় মতবাদ হিচাপে উপযোগিতাবাদ তত্ত্বটো চমুকৈ ব্যাখ্যা কৰা।

(b) Write a short note on Russellian correspondence theory of truth.

সত্যতা বিষয়ক ৰাছেলীয় সাদৃশ্যবাদৰ বিষয়ে এটি চমু টোকা লিখা।

(c) Write a short note on Kant's view of causality.

কান্টৰ কাৰণতাৰ ধাৰণাটোৰ বিষয়ে এটি চমু টোকা লিখা।

(d) How does A. J. Ayer draw the distinction between strong and weak verification?

এ. জে. আয়াৰে কেনেদৰে সবল আৰু দুৰ্বল সত্যাপনৰ মাজত পাৰ্থক্য কৰিছে?

(e) What do you mean by categories of knowledge? Briefly explain.

জ্ঞানৰ প্ৰবৰ্গ বুলিলে কি বুজা? চমুকৈ ব্যাখ্যা কৰা।

(f) Briefly explain the psychological argument in favour of determinism.

নিয়তিবাদৰ সপক্ষে মনোবৈজ্ঞানিক যুক্তিৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়োৱা।

4. Explain the nature and criterion or test of truth. 10

সত্যৰ স্বৰূপ বা প্ৰকৃতি আৰু মানদণ্ড বা পৰীক্ষণৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা।

*Or / নাইবা*

Explain and examine A. J. Ayer's view on elimination of metaphysics.

এ. জে. আয়াৰৰ অধিবিদ্যা বৰ্জন বিষয়ক মতবাদটোৰ সমালোচনাত্মক ব্যাখ্যা দাঙি ধৰা।

5. Critically explain Hume's view of causality. 10

হিউমৰ কাৰণতা সম্পৰ্কীয় মতবাদৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

*Or / নাইবা*

Explain Descartes' view of substance.

ডেকাৰ্টৰ দ্ৰব্য সম্পৰ্কীয় মতবাদটো ব্যাখ্যা কৰা।

6. Are Space and Time subjective or objective? Discuss. 10

দেশ আৰু কাল আত্মগত নে বস্তুগত? আলোচনা কৰা।

*Or / নাইবা*

Explain and examine the rationalist entailment theory of causation or causal theory of necessary connection.

কাৰণতা সম্পৰ্কীয় বুদ্ধিবাদী সমাবেশন তত্ত্ব বা অনিবাৰ্য সম্বন্ধ তত্ত্বটো ব্যাখ্যা আৰু পৰীক্ষা কৰা।

**7.** What is indeterminism? Give four arguments in favour of indeterminism or freedom of will. 2+8=10

অনিয়তিবাদ বা স্বাতন্ত্র্যবাদ কি? অনিয়তিবাদ অথবা ইচ্ছাৰ স্বাধীনতাৰ সপক্ষে চাৰিটা যুক্তি আগবঢ়োৱা।

*Or / নাইবা*

Write a note on self-determinism. 10

আত্মনিয়ন্ত্ৰণবাদ বা স্বনিয়ন্ত্ৰণবাদৰ বিষয়ে এটি টোকা লিখা।

★★★